**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 17-01-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মালডা টাউন ৰে’ল ষ্টেচনৰ পৰা কামাখ্যা আৰু হাওৰাৰ মাজত চলাচল কৰিবলগীয়া দেশৰ প্ৰথমখন বন্দে ভাৰত শ্লীপাৰ ৰে’লগাড়ী যাত্ৰাৰ শুভাৰম্ভ কৰিব।

২। প্ৰধানমন্ত্ৰীয়ে আজি গুৱাহাটীত প্ৰায় ১০ হাজাৰ শিল্পীয়ে পৰিৱেশন কৰিবলগীয়া বাগৰুম্বা নৃত্য উপভোগ কৰিব।

৩। গণতান্ত্ৰিক প্ৰতিষ্ঠানসমূহ স্বচ্ছ আৰু জনসাধাৰণৰ প্ৰতি দায়বদ্ধ হ’লেহে শক্তিশালী আৰু প্ৰাসংগিক হৈ থাকিব পাৰে বুলি লোকসভাৰ অধ্যক্ষ ওম বিৰলাই প্ৰকাশ কৰিছে।

৪। ভাৰতে ইৰাণৰ পৰিস্থিতি সুক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। ***আৰু***

৫। নবী মুম্বাইত যোৱা নিশা অনুষ্ঠিত মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাত ৰয়েল চেলেঞ্জাৰ্চ বেংগালুৰুয়ে গুজৰাট জায়েণ্টছক ৩২ ৰানত পৰাস্ত কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মালডা টাউন ৰে’ল ষ্টেচনৰ পৰা ভাৰ্চুৱেল ব্যৱস্থাৰে কামাখ্যা আৰু হাওৰাৰ মাজত চলাচল কৰিবলগীয়া দেশৰ প্ৰথমখন বন্দে ভাৰত শ্লীপাৰ ৰে’লগাড়ী যাত্ৰাৰ শুভাৰম্ভ কৰিব। আধুনিক ভাৰতৰ বৰ্ধিত পৰিবহন চাহিদা অনুযায়ী সম্পূৰ্ণৰূপে শীত-তাপ নিয়ন্ত্ৰিত এই ৰে’লগাড়ীখনে বহনসাধ্য দৰত যাত্ৰীসকলক বিমান যাত্ৰাৰ দৰে সুবিধা আৰু অভিজ্ঞতা প্ৰদান কৰিব। এই ৰে’লগাড়ীখনে দূৰণিবটীয়া যাত্ৰা অধিক ক্ষিপ্ৰ, নিৰাপদ আৰু সুবিধাজনক কৰি তুলিব বুলি আশা কৰা হৈছে। দুদিনীয়া কাৰ্যসূচীৰে আজি পশ্চিমবংগ আৰু অসম ভ্ৰমণলৈ আহিবলগীয়া প্ৰধানমন্ত্ৰী মোদীয়ে পশ্চিমবংগৰ মালডাৰ এটা অনুষ্ঠানত ৩ হাজাৰ ২৫০ কোটিৰো অধিক টকা ব্যয়সাপেক্ষ ভালেমান ৰে’ল আৰু পথ, আন্তঃগাঁথনি প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। ইয়াৰ ভিতৰত পশ্চিম বংগত চাৰিটা গুৰুত্বপূৰ্ণ ৰে’ল প্ৰকল্প আছে। এই প্ৰকল্প চাৰিটাৰ ভিতৰত বলুৰঘাট আৰু দিল্লীৰ মাজৰ নতুন ৰে’লপথ, নিউ জলপাইগুৰিৰ পৰৱৰ্তী প্ৰজন্মৰ মালবাহী ৰে’লগাড়ীৰ তদাৰক সুবিধা, শিলিগুৰিৰ লোকশ্বেদৰ উন্নয়ন আৰু জলপাইগুৰি জিলাৰ বন্দে ভাৰত ৰে’ল তদাৰক সুবিধাৰ আধুনিকীকৰণ প্ৰকল্প আছে। এই প্ৰকল্পসমূহে উত্তৰ বংগত যাত্ৰী আৰু মালবাহী ৰে’ল সেৱা সবল কৰি তুলিব আৰু অঞ্চলটোত কৰ্মসংস্থানৰ নতুন সুবিধা সৃষ্টি কৰিব। প্ৰধানমন্ত্ৰীয়ে মালডাৰ পৰা ভাৰ্চুৱেল ব্যৱস্থাৰে চাৰিখন নতুন অমৃত ভাৰত এক্সপ্ৰেছ ৰে’লগাড়ীৰ যাত্ৰাৰো শুভাৰম্ভ কৰিব।

প্ৰধানমন্ত্ৰীগৰাকী বিয়লিৰ ভাগত অসমলৈ আহিব আৰু গুৱাহাটীত তেওঁ প্ৰায় ১০ হাজাৰ শিল্পীয়ে পৰিৱেশন কৰিবলগীয়া বাগৰুম্বা নৃত্য উপভোগ কৰিব। ভ্ৰমণৰ দ্বিতীয় দিনা প্ৰধানমন্ত্ৰী মোদীয়ে কাইলৈ কলিয়াবৰৰ মৌচন্দা পথাৰত এখন ৰাজহুৱা সভাত অংশ ল’ব আৰু এই সভাতে কলিয়াবৰৰ পৰা বোকাখাতলৈ ছহেজাৰ ৯৫৭ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ’বলগীয়া কাজিৰঙা এলিভেটেড কৰিড’ৰৰ

আধাৰশিলা স্থাপন কৰিব। শ্ৰীমোদীয়ে লগতে ডিব্ৰুগড়ৰ পৰা লক্ষ্ণৌৰ গোমটিলৈ আৰু গুৱাহাটীৰ পৰা ৰোহটকলৈ চলিবলগীয়া দুখন নতুন অমৃত ভাৰত এক্সপ্ৰেছ ৰে'লগাড়ীৰ যাত্ৰাৰো শুভাৰম্ভ কৰিব।

ooooo

ভাৰতে ইৰাণৰ পৰিস্থিতি সুক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। নতুন দিল্লীত কালি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছৱালে কয় যে ভাৰত ইৰানত বাস কৰা ভাৰতীয় নাগৰিকসকলৰ স্বাৰ্থৰ হকে প্ৰয়োজনীয় সকলো পদক্ষেপ ল'বলৈ প্ৰতিশ্ৰুতিবদ্ধ। তেওঁ কয় যে সম্প্ৰতি ইৰানত প্ৰায় ৯ হাজাৰ ভাৰতীয় নাগৰিক আছে আৰু ইয়াৰ অধিকাংশই বিদ্যাৰ্থী। শ্ৰীজয়ছৱালে কয়, যে ইৰানৰ পৰিস্থিতিৰ কথা বিবেচনা কৰি বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ে শেহতীয়াকৈ ভাৰতীয় নাগৰিকসকলক ইৰান ভ্ৰমণ এৰাই চলিবলৈ আৰু দেশখনত থকাসকলক উভতি আহিবলৈ পৰামৰ্শ জাৰি কৰিছে।

জাপানৰ সৈতে প্ৰতিৰক্ষা সহযোগিতা সন্দৰ্ভত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত শ্ৰীজয়ছোৱালে কয়, যে ভাৰত-জাপান সহযোগিতাৰ ক্ষেত্ৰত প্ৰতিৰক্ষা সহযোগিতা হৈছে এটা গুৰুত্বপূৰ্ণ দিশ আৰু এই বিষয়ত দুয়োখন দেশৰ বিদেশ মন্ত্ৰী দুগৰাকীৰ মাজত আলোচনা অনুষ্ঠিত হৈ গৈছে। তেওঁ কয়, যে জাপানৰ সৈতে সম্পৰ্ক শক্তিশালী কৰাৰ বাবে ভাৰতে কাম কৰি আছে আৰু বহুকেইটা প্ৰকল্প বিবেচনাধীন হৈ আছে। জাপানৰ বিদেশ মন্ত্ৰীগৰাকী তিনিদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ আহিছে বুলি উল্লেখ কৰি মুখপাত্ৰগৰাকীয়ে কয়, যে তেওঁ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰৰ সৈতে অষ্টাদশ ভাৰত-জাপান কৌশলগত আলোচনাত অংশগ্ৰহণ কৰে। এই আলোচনাকালত দুয়োগৰাকী নেতাই বিভিন্ন গুৰুত্বপূৰ্ণ খণ্ডৰ যোগান শৃংখলা, বিনিয়োগ, বাণিজ্য, প্ৰযুক্তি, উদ্ভাৱন, প্ৰতিৰক্ষা, সাংস্কৃতিক সম্পৰ্ক আৰু দ্বিপাক্ষিক সম্পৰ্কৰ পৰ্যালোচনা কৰে বুলি বৈদেশিক পৰিক্ৰমা মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে প্ৰকাশ কৰে।

ooooo

গণতান্ত্ৰিক প্ৰতিষ্ঠানসমূহ স্বচ্ছ, ব্যাপক, প্ৰতিক্ৰিয়াশীল আৰু জনসাধাৰণৰ প্ৰতি দায়বদ্ধ হ'লেহে শক্তিশালী আৰু প্ৰাসংগিক হৈ থাকিব পাৰে বুলি লোকসভাৰ অধ্যক্ষ ওম বিৰলাই প্ৰকাশ কৰিছে। নতুন দিল্লীত অনুষ্ঠিত ২৮ সংখ্যক কমনৱেল্থ ৰাষ্ট্ৰসমূহৰ অধ্যক্ষ আৰু প্ৰিজাইডিং বিষয়াৰ সন্মিলন, চি এছ্ পি অ' চি-ৰ সামৰণি সত্ৰত ভাষণ দি শ্ৰীবিৰলাই এইদৰে কয়। তেওঁ সন্মিলনখন অৰ্থবহ আৰু স্মৰণীয় কৰি তোলাৰ ক্ষেত্ৰত সকলো প্ৰতিনিধিৰ সক্ৰিয় অংশগ্ৰহণ, উদ্যম আৰু গঠনমূলক চিন্তা-চৰ্চাৰ শলাগ লয়। ৫৬ বছৰ পূৰ্বে চি এছ্ পি অ' চি-ৰ স্থাপনৰ আঁৰৰ দৰ্শনৰ কথা সুঁৱৰি শ্ৰীবিৰলাই কয়, যে কমনৱেল্থ ৰাষ্ট্ৰসমূহৰ গণতান্ত্ৰিক বিধানসভাৰ মাজত নিৰন্তৰ আলোচনা সুনিশ্চিত কৰা আৰু সংসদীয় দক্ষতা আৰু দায়বদ্ধতা বৃদ্ধিৰ বাবে নতুন নতুন দিশৰ অন্বেষণৰ উদ্দেশ্যে এই সন্মিলন গঠন কৰা হৈছিল। উল্লেখযোগ্য যে এই বছৰ লোকসভাৰ অধ্যক্ষ ওম বিৰলাৰ অধ্যক্ষতাত এই সন্মিলন অনুষ্ঠিত হয়। সন্মিলনৰ সামৰণি সত্ৰত তেওঁ ব্ৰিটেইনৰ হাউছ অৱ কমনছৰ অধ্যক্ষ ছাৰ লিণ্ডছে হইলৰ হাতত ২৯ সংখ্যক চি এছ্ পি অ' চি-ৰ অধ্যক্ষতাৰ দায়িত্ব অৰ্পণ কৰে আৰু পৰৱৰ্তী সন্মিলনৰ সফলতাৰ বাবে শুভেচ্ছা জনায়।

ooooo

পোলেণ্ডৰ উপ-প্ৰধানমন্ত্ৰী তথা বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ৰাড'শ্ল' চিক'ৰস্কী আজি তিনিদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ আহিব। কাইলৈ তেওঁ ৰাজস্থানত জয়পুৰ সাহিত্য মহোৎসৱত অংশ ল'ব। এই ভ্ৰমণকালত তেওঁ নতুন দিল্লীত বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰক সাক্ষাৎ কৰিব।

০০০০০

নতুন দিল্লীৰ কৰ্তব্যপথত এইবাৰ ৭৭ সংখ্যক গণৰাজ্য দিৱস উদযাপন অনুষ্ঠানত ৰাষ্ট্ৰীয় গীত বন্দে মাতৰমৰ ১৫০ সংখ্যক বৰ্ষপূৰ্তি, ভাৰতৰ সেনা শক্তি আৰু সাংস্কৃতিক বিবিধতাৰ সুন্দৰ প্ৰদৰ্শন দেখিবলৈ পোৱা যাব। প্ৰতিৰক্ষা মন্ত্ৰালয়ে এটা বিবৃতিত প্ৰকাশ কৰা মতে এইবাৰৰ গণৰাজ্য দিৱৰ পেৰেডত ইউৰোপীয় পৰিষদৰ সভাপতি এণ্ট'নিঅ' কোষ্টা আৰু ইউৰোপীয় আয়োগৰ সভাপতি উৰ্ছুলা ভ'ন ডেৰ লেয়েন মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আমন্ত্ৰণমৰ্মে এই দুয়োগৰাকী নেতা ২৫ জানুৱাৰীত তিনিদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ আহিব। এইবাৰৰ পেৰেডৰ সাক্ষী হ'বলৈ সমাজৰ বিভিন্ন শ্ৰেণীৰ প্ৰায় ১০ হাজাৰ লোকক বিশেষ অতিথি হিচাপে আমন্ত্ৰণ জনোৱা হৈছে। মন্ত্ৰালয়ে লগতে উল্লেখ কৰে যে এইবাৰ সেনাবাহিনীয়ে প্ৰথমবাৰৰ বাবে সংহত যুদ্ধ ক্ষমতা প্ৰদৰ্শনেৰে যুদ্ধ ব্যূহ প্ৰদৰ্শন কৰিব। পেৰেডত সেনাৰ ১৮টা মাৰ্চিং দল, ১৩টা বেণ্ড আৰু সশস্ত্ৰ বাহিনীৰ ২৯ খন বিমানৰ ফ্লাইপাষ্ট প্ৰদৰ্শন কৰা হ'ব। মন্ত্ৰালয়ে লগতে কয়, যে গণৰাজ্য দিৱসৰ পেৰেডত ৰাজ্য, কেন্দ্ৰীয়শাসিত অঞ্চল আৰু বিভিন্ন মন্ত্ৰালয়ৰ স্বাধীনতা, আত্মনিৰ্ভৰশীলতা, সংস্কৃতি আৰু বিকাশক প্ৰতিফলিত কৰা ৩০টা প্ৰতীকপট থাকিব। তদুপৰি স্বতন্ত্ৰতাৰ মন্ত্ৰ বন্দে মাতৰম আৰু সমৃদ্ধিৰ মন্ত্ৰ আত্মনিৰ্ভৰ ভাৰত বিষয়বস্তুৰে হ'বলগীয়া সাংস্কৃতিক অনুষ্ঠানত ২ হেজাৰ ৫০০ শিল্পীয়ে ভাগ ল'ব।

০০০০০

Adaptive ASEAN: From Connectivity to Connected Intelligence শীৰ্ষক বিষয়বস্তুৰ অধীনত কালি ভাৰ্চুৱেলি আছিয়ান-ভাৰত ডিজিটেল মন্ত্ৰীসকলৰ ষষ্ঠসংখ্যক সভা অনুষ্ঠিত হয়। বৈঠকত ডিজিটেল অন্তৰ্ভুক্তি আৰু সংহতিৰ ওপৰত গুৰুত্ব আৰোপ কৰি আঞ্চলিক ডিজিটেল সহযোগিতা শক্তিশালী কৰাৰ বাবে আছিয়ান সদস্য ৰাষ্ট্ৰ আৰু ভাৰতৰ ভাগ-বতৰা দায়বদ্ধতাক পুনৰ দৃঢ় কৰা হয়। যোগাযোগ মন্ত্ৰালয়ে এটা বিবৃতিত কয় যে টেলিকম সচিব অমিত আগৰৱাল আৰু ভিয়েটনামৰ বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী নুয়েন মান হাঙৰ সহ অধ্যক্ষতাত বৈঠকখন অনুষ্ঠিত হয়। বৈঠকত আছিয়ান-ভাৰত ডিজিটেল ৱৰ্ক প্লেন ২০২৬ৰ অনুমোদনক আদৰণি জনোৱা হয়, য'ত আইচিটি প্ৰশিক্ষণ বা সামৰ্থ্য বিকাশ কাৰ্যসূচী, ভাৰত-আছিয়ান নিয়ন্ত্ৰক সন্মিলন আৰু টেলিকম আইচিটি সমাধানৰ প্ৰয়োগ আদি বিষয়সমূহ অন্তৰ্ভুক্ত হৈছে। ডিজিটেল ভৱিষ্যতৰ বাবে আছিয়ান-ভাৰত বিশেষ পুঁজিৰ কাৰ্যকৰীকৰণকো এই বৈঠকত আদৰণি জনোৱা হয়।

বৈঠকত ভাৰতে ইয়াৰ থলুৱা আৰু ব্যয়বহুল ডিজিটেল সমাধান, আধাৰ, ইউপিআই আৰু ডিজিলকাৰৰ দৰে ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনি, আৰু টেলিকম ব্যৱহাৰকাৰী সুৰক্ষা আৰু জালিয়াতি প্ৰতিৰোধৰ বাবে সঞ্চাৰ সাথী পদক্ষেপৰ ওপৰত আলোকপাত কৰে। ভাৰতে নিৰাপদ আৰু বিশ্বাসযোগ্য এআইৰ ওপৰত গুৰুত্ব আৰোপ কৰি ইণ্ডিয়াএআই মিছনৰ জৰিয়তে কৃত্ৰিম বুদ্ধিমত্তাৰ ক্ষেত্ৰত সহযোগিতাৰ ওপৰতো আলোকপাত কৰে। বৈঠকত আঞ্চলিক বৃদ্ধিৰ বাবে এক মুক্ত, সুৰক্ষিত আৰু সৰ্বাংগীন ডিজিটেল পৰিৱেশ তন্ত্ৰ গঢ়ি তোলাৰ ভাৰত আৰু আছিয়ানৰ সহযোগিতাৰ দৃষ্টিভংগীৰ ওপৰত আলোকপাত কৰা হয়।

০০০০০

কেন্দ্ৰীয় ইলেক্ট্ৰনিকছ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে কেন্দ্ৰীয় নীতি আৰু পুঁজিৰ সহায়ৰ দ্বাৰা পৰিচালিত ভাৰতৰ ডিপ-টেক ষ্টাৰ্টআপ ইক'চিষ্টেম সম্প্ৰসাৰিত হৈছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত মন্ত্ৰীগৰাকীয়ে কয় যে সম্প্ৰতি, ভাৰতৰ ৮০ শতাংশ

ষ্টাৰ্টআপ হৈছে কৃত্ৰিম বুদ্ধিমত্তা চালিত। তেওঁ লগতে কয় যে ইণ্ডিয়া ছেমিকণ্ডাক্টৰ মিছনৰ অধীনত ডিজাইন লিংকড ইনচেণ্টিভ আঁচনিয়ে এতিয়ালৈকে ২৩টা ষ্টাৰ্টআপক সহায় কৰিছে। মন্ত্ৰীগৰাকীয়ে লগতে আলোকপাত কৰে যে প্ৰতিষ্ঠানিক পুঁজিৰ বাবে ছেমিকন ইণ্ডিয়া ২০২৫ত এক বিলিয়ন ডলাৰৰ ইণ্ডিয়া ডিপ টেক এলায়েন্স ঘোষণা কৰা হৈছিল। তেওঁ উল্লেখ কৰে যে ১ লাখ কোটি টকাৰ মূলধন থকা গৱেষণা উন্নয়ন আৰু উদ্ভাৱন পুঁজিয়ে উদ্ভাৱনৰ ক্ষমতাও শক্তিশালী কৰি তুলিছে।

০০০০০

নবী মুম্বাইৰ ড০ ডি ৱাই পাটিল স্প'ৰ্টছ একাডেমীত যোৱা নিশা অনুষ্ঠিত মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুয়ে গুজৰাট জায়েণ্টছক ৩২ ৰানত পৰাস্ত কৰে। গুজৰাট জায়েণ্টছে ১৮৩ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৮ অভাৰ ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৫০ ৰানহে কৰিবলৈ সমৰ্থ হয়। দলটোৰ হৈ ভাৰতী ফুলমালীয়ে সৰ্বাধিক ৩৯ ৰান কৰে। বেংগালুৰুৰ শ্ৰেয়াংকা পাটিলে ৫টা উইকেট দখল কৰে।

ইয়াৰ পূৰ্বে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুয়ে নিৰ্ধাৰিত ২০ অভাৰত ৭ উইকেটৰ বিনিময়ত ১৮২ ৰান সংগ্ৰহ কৰে। দলৰ হৈ সৰ্বাধিক ৬৬ ৰান কৰা ৰাধা যাদৱক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি দুখন খেল অনুষ্ঠিত হ'ব। ইয়াৰে প্ৰথমখন খেলত বিয়লি ৩ বজাত ইউ পি ৱাৰিয়ৰ্ছ আৰু মুম্বাই ইণ্ডিয়ানছ মুখামুখি হ'ব। সন্ধিয়া চাৰে ৭ বজাত হ'বলগীয়া দ্বিতীয়খন খেলত দেলহী কেপিটেলছ ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। দুয়োখন খেল নৱী মুম্বাইত অনুষ্ঠিত হ'ব।

০০০০০

সমাপ্ত